আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

WEDNESDAY, FEBRUARY 14, 2024>> 10 PM www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৪৮ Guwahati, Assam ।। মূল্যঃ এটকা

## কমলাক্ষ, বসন্তয়ো এৰিলে বিৰোধী শিবিৰ

# হিমন্তাকৰ্ষণ! কংগ্ৰেছময় বিজেপি

ই-সংবাদ, ১৪ ফেব্ৰুৱাৰীঃ 'কালৰো কাল বিপৰীত কাল, হৰিণাই চেলেকে বাঘৰ গাল'। কথা তেনেকুৱাই। দেশৰ ৰাজনীতিৰ দুই মুখ্য প্ৰতিদ্বন্দ্বী কংগ্ৰেছ আৰু বিজেপিৰ বিধায়কৰ সনা-পোতোকাক লৈ অসমৰ ৰাজনীতিত ব্যাপক চৰ্চা হৈ আহিছে। ৰাষ্ট্ৰীয় পৰ্যায়ত কংগ্ৰেছক নিঃশেষ কৰিবলৈ বিজেপিয়ে কোনো পথ এৰা নাই। দেশৰ এই অৱস্থাৰ বিজেপিয়ে বাৰে বাৰে কংগ্ৰেছ, জৱহৰলাল নেহৰুক দোষাৰোপ শেষাংশ ২ পৃষ্ঠাত

পৃষ্ঠাত



বিজেপিত এতিয়া এনেকৈয়ে বাঢ়িছে কংগ্ৰেছীৰ ভিৰ... বুধবাৰৰ দৃশ্য



## আৰৱত ৭০০ কোটিৰ মন্দিৰ

আবুধাবি, ১৪ ফেব্ৰুৱাৰীঃ বিজেপিৰ সমৰ্থকে ধৰ্ম বিশেষৰ বিৰুদ্ধে সাম্প্ৰদায়িক মন্তব্য প্ৰদান কৰাটো সহজলভ্য। গো-মাংস কঢ়িওৱা, দাড়িৱালা ইছলামধৰ্মীক জোৰকৈ 'জয় শ্ৰী ৰাম' ক'বলৈ বাধ্য কৰি শেষাংশ ৩ পৃষ্ঠাত

### ভূপেন বৰাই ক'লে

## হিমন্তমুক্ত হ'ব কংগ্ৰেছ

ই-সংবাদ, ১৪ ফেব্ৰুৱাৰীঃ মঙলদৈৰ বিধায়ক বসন্ত দাস আৰু কৰিমগঞ্জ উত্তৰৰ বিধায়ক কমলাক্ষ দে' পুৰকায়স্থই বিজেপি চৰকাৰৰ কাম-কাজক সমৰ্থন কৰি যোৱাৰ ঘোষণা কৰাৰ পাছতে প্ৰতিক্ৰিয়া ব্যক্ত কৰে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই। সভাপতি ভূপেন বৰাই কয় যে শেষাংশ ৪ পৃষ্ঠাত

## ডেৰমাহ ভিক্ষা মাগি পালে আঢ়ৈ লাখ!

**ভূপাল, ১৪ ফেব্ৰুৱাৰীঃ** কেৱল ভিক্ষা মাগিয়েই ৪৫ দিনত আঢ়ৈ লাখ টকা উপাৰ্জন এগৰাকী ৪০ বৰ্ষীয় ভিক্ষাৰী মহিলাৰ। গাঁৱত আছে নিজা মাটি, দুমহলীয়া অট্টালিকা। শেহতীয়াকৈ মধ্যপ্ৰদেশৰ ইন্দোৰ চহৰৰ পৰা এই ঘটনা পোহৰলৈ অহাৰ পিছতে স্তম্ভিত হৈ পৰিছে সাধাৰণ লোক। নিজৰ লগতে ৮ বছৰীয়া কন্যাকে ধৰি তিনি সন্তানকো জোৰ কৰি ভিক্ষা বৃত্তিৰ সৈতে নিয়োজিত কৰা মহিলাগৰাকীৰ বিৰুদ্ধে এটা বেচৰকাৰী সংস্থাই গোচৰ ৰুজু কৰাৰ পিছতে গ্ৰেপ্তাৰ কৰে আৰক্ষীয়ে। ইন্দ্ৰা বাই নামৰ এই ৪০ বৰ্ষীয় মহিলাগৰাকীয়ে ইন্দোৰ-উজ্জীয়ন পথৰ লৱ-কুশ সংযোগস্থলত ভিক্ষা মাগিছিল। ইন্দোৰক ভিক্ষাৰীমুক্ত চহৰ হিচাপে গঢ়ি তোলাৰ বাবে কাম কৰি অহা প্ৰৱেশ নামৰ শেষাংশ শেষ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# হিমন্তাকৰ্ষণ! কংগ্ৰেছময় বিজেপি

কৰি আহিছে। সদনত ভিতৰত প্ৰধানমন্ত্ৰীয়ে কংগ্ৰেছক তুলাধুনা দিয়ে। কিন্তু অসমত বিজেপি চৰকাৰৰ মুৰব্বীৰ সৈতে কংগ্ৰেছৰ একাংশ বিধায়কৰ ইলু ইলু নীতি পালন কৰি আহি দেখা গৈছে। কংগ্ৰেছত থাকি বিজেপিৰ হৈ কাম কৰি আহিছে একাংশ কংগ্ৰেছৰ নেতাই। ড০ হিমন্ত বিশ্ব শৰ্মাই বিজেপিত যোগদান কৰি মুখ্যমন্ত্ৰীৰ পদবীত বহাৰ পাছৰে পৰা অসমৰ বহু কংগ্ৰেছ নেতাই বিজেপিক সহায় কৰিব পৰাকৈ কাম কৰাৰ অভিযোগ উত্থাপন কৰি আহিছে। কংগ্ৰেছৰ সভা-সমিতিৰ আভ্যন্তৰৰ গোপন কথা, সিদ্ধান্ত আদি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক অৱগত কৰি আহিছে বুলি অভিযোগ উঠি আহিছে। ইমানে নহয় সভাৰ অডিঅ', ভিডিঅ', ফটো পৰ্যন্ত মুখ্যমন্ত্ৰী তথা মুখ্যমন্ত্ৰীৰ ঘনিষ্ঠক যোগান দৰাৰ অভিযোগ উঠি আহিছে। মুঠতে অসম কংগ্ৰেছৰ বহু নেতাই মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ হৈ কাম কৰি থকাৰ অভিযোগ উত্থাপন হৈছিল। সেই অনুসৰিয়েই মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কেইবাবাৰো কংগ্ৰেছত মোৰ ইনভেষ্ট আছে বুলি দাবী কৰি আহিছে। ৰাজ্যসভাৰ নিৰ্বাচন, ৰাষ্ট্ৰপতি আৰু উপ-ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত কংগ্ৰেছৰ বিধায়কে ক্ৰছ ভোটিং কৰি বিজেপিক সহায় কৰিছিল। কিন্তু দেশৰ মুখ্য বিৰোধী দল কংগ্ৰেছৰ বিধায়কে বিজেপিৰ উন্নয়ন তথা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ কাম-কাজৰ প্ৰতি বিজেপি চৰকাৰক সহায় কৰাৰ ঘোষণা কৰি আহিছে। ইয়াৰ প্ৰথমটো উদাহৰণ আছিল ৰহাৰ বিধায়ক শশীকান্ত দাস। শশীকান্ত দাসে এতিয়ালৈ বিজেপিত আনুষ্ঠানিকভাবে বিজেপিত যোগদান কৰা নাই। তাৰ কাৰণ হৈছে বিধায়ক পদ। কিন্তু শশীকান্ত দাসে কংগ্ৰেছৰ পৰা বিচ্ছিন্ন হৈ চৰকাৰক পক্ষৰ বিধায়ক হৈয়ে থাকিল। সুশান্ত বুঢ়াগোহাঁই আৰু মৰিয়নিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে কংগ্ৰেছৰ বিধায়ক পদ ত্যাগ কৰি উপ-নিৰ্বাচনত জয়ী হৈ আহিল। এই তালিকাখন বহু দীঘলীয়া। ছিদ্দিক আহমেদ, শ্বেৰমান আলী আহমেদো আছে। কংগ্ৰেছৰ বিৰোধ কৰি ক্ৰছ ভোটিং কৰিছিল ছিদ্দিক আহমেদ, শ্বেৰমান আলী আহমেদৰ দৰে নেতাই। যাৰ ফলত কংগ্ৰেছে একাষৰীয়া কৰি ৰাখিছে ছিদ্দি আৰু শ্বেৰমানক। ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতিৰ নিৰ্বাচন আৰু ৰাজ্যসভাৰ নিৰ্বাচনৰ প্ৰাৰ্থী ৰিপুণ বৰাক পৰাজিত কৰিছিল খোদ কংগ্ৰেছীয়ে। এনে বহু ঘটনা বিৰোধী কংগ্ৰেছৰ নেতাই বিৰোধীৰ আদৰ্শক ভৰিৰে মোহাৰি পেলাইছে। হিমন্ত বিশ্ব শৰ্মা কংগ্ৰেছত থকাৰ সময়ত 'দাদা ব্ৰিগেড' ৰূপে চৰ্চিত আছিল। সেই দাদা ব্ৰিগেডতে সুশান্ত বুঢ়াগোহাঁই, ৰূপজ্যোতি কুৰ্মী, কমলাক্ষ দে' পুৰকায়স্থ আদিও আছিল। আজি কৰিমগঞ্জ উত্তৰ সমষ্টিৰ কংগ্ৰেছৰ বিধায়ক দাদা ব্ৰিগেডৰ সদস্য হ'ল। লগতে লৈ গ'ল মঙলদৈ সমষ্টিৰ বিধায়ক বসন্ত দাসক। বসন্ত দাস আৰু কমলাক্ষ দে' পুৰকায়স্থই আজি বিধানসভাত বাজেট অধিবেশন চলি থকাৰ সময়তে বিজেপি চৰকাৰক সমৰ্থন কৰাৰ ঘোষণা কৰে। দুদিন পূৰ্বৰ পৰা অনুমান কৰা অনুযায়ীয়ে দুয়ো কংগ্ৰেছৰ বিধায়কে হিমন্ত বিশ্ব শৰ্মা চৰকাৰক সমৰ্থন কৰাৰ ঘোষণা কৰে। আজি মুখ্যমন্ত্ৰী তথা পূৰ্বৰ দাদ ব্ৰিগেডৰ সদস্যসকলৰ উপস্থিতিত এই ঘোষণা কৰে কমলাক্ষ আৰু বসন্তই। হিমন্ত বিশ্ব শৰ্মাৰ দাদা ব্ৰিগেড সম্পূৰ্ণ হৈছে যদিও এতিয়াও কংগ্ৰেছৰ দিনৰ দাদা ব্ৰিগেডৰ আন দুজন বিধায়ক কংগ্ৰেছতে আছে। সেই দুই বিধায়কৰ ভিতৰত এজনে অগপত আৰু আন এজনে বিজেপিত যোগদান কৰাটো প্ৰায় নিশ্চিত বুলিব পাৰি।

# কংগ্ৰেছৰ বাকী ২১ বিধায়কেও বিজেপিত যোগদান কৰিবঃ মুখ্যমন্ত্ৰী

**ই-সংবাদ, ১৪ ফেব্ৰুৱাৰীঃ** বাজেট অধিৱেশন চলি থকাৰ মাজতে কংগ্ৰেছৰ দুই বিধায়ক বসন্ত দাস আৰু কমলাক্ষ দে' পুৰকায়স্থই বিজেপি চৰকাৰক সমৰ্থনৰ ঘোষণা কৰাৰ পাছতে আজি মুখ্যমন্ত্ৰীয়ে দুয়ো বিধায়কক লৈ সংবাদমাধ্যমক সম্বোধন কৰি কেইবাটাও তাৎপৰ্যপূৰ্ণ মন্তব্য প্ৰদান কৰে। বিধানসভাৰ মুখ্যমন্ত্ৰীৰ কক্ষত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই শেহতীয়াকৈ ৰাহুল গান্ধীৰ 'ভাৰত জোড়ো ন্যায় যাত্ৰা'ৰ সময়ত বিধায়কসকলক কঠোৰ সতৰ্কবাণী জাৰি কৰাৰ অভিযোগ আনি কয় যে গান্ধীয়ে বিধায়কসকলক বিধানসভাৰ কাৰ্যক্ৰম ব্যাহত কৰিবলৈ সক্ষম নোৱাৰিলে বহিষ্কাৰৰ ভাবুকি দিছিল। হিমন্ত বিশ্ব শৰ্মাই কয় যে ৰাহুল গান্ধী যেতিয়া অসমলৈ আহিছিল। বিৰোধী দলসমূহৰ নেতাসকলৰ সৈতে এখন বৈঠক কৰিছিল। এজন বিধায়কে ৰাহুল গান্ধীক কৈছিল যে কংগ্ৰেছৰ কোনো বিধায়কে ৰাজ্য চৰকাৰৰ বিৰুদ্ধে একো নকয়। অসম এৰি যাওঁতে ৰাহুল গান্ধীয়ে অসম কংগ্ৰেছৰ সকলো বিধায়কক যাত্ৰা কৰা বাহলৈ মাতি নি ভাবুকি দিছিল আৰু অসম বিধানসভাত চৰকাৰক সমালোচনা কৰিবলৈ নিৰ্দেশ দিছিল। মুখ্যমন্ত্ৰীয়ে এয়া উচিত নহয় বুলি কয়। মুখ্যমন্ত্ৰীক সমালোচনা কৰিব নোৱাৰিলে কমেও ১৫ বছৰৰ বাবে দলৰ পৰা বহিষ্কাৰ কৰাৰ ভাবুকি দিছিল বুলিও কয় মুখ্যমন্ত্ৰীয়ে। তদুপৰি, হিমন্ত বিশ্ব শৰ্মাই ৰাহুল গান্ধীৰ ন্যায় যাত্ৰাক দেশক একত্ৰিত কৰাৰ উদ্দেশ্যে লোৱা পদক্ষেপৰ বিপৰীতে কংগ্ৰেছ দলক বিভাজনত অৰিহণা যোগাই যাত্ৰা বুলি কয়। অসম কংগ্ৰেছৰ ২৫ জন বিধায়কৰ ভিতৰত এতিয়ালৈকে শশী কান্ত দাস আৰু ছিদ্দিক আহমেদকে ধৰি ৪ জন বিধায়কে বিজেপিত যোগদান কৰিছে। অনাগত দিনত কংগ্ৰেছ দলৰ বাকী ২১ জন বিধায়কেও বিজেপিত যোগদান কৰিব বুলি দাবী কৰে মুখ্যমন্ত্ৰীয়ে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# আৰৱত ৭০০ কোটিৰ মন্দিৰ

মাৰপিট কৰাটো দেশত তেনেই সহজলভ্য। বিজেপি নেতা তথা বিজেপিৰ আদৰ্শৰ সৈতে মিল থকা হিন্দুত্ববাদী সংগঠনৰ নেতাই ইছলামধৰ্মীৰ বিৰুদ্ধে ঘৃণা আৰু বৈষম্যমূলক বক্তব্য প্ৰদান কৰি অহাৰ বাতৰি নিতৌ প্ৰকাশ পায়। তেনে সময়তে আজি মধ্য প্ৰাচ্যত মন্দিৰ মুকলি কৰিছে বিজেপিৰ এই সময়ৰ হিন্দুত্ববাদী ৰাজনীতিৰ হোতা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। মধ্য প্ৰাচ্যত হিন্দুৰ মন্দিৰ মুকলি কৰিবলৈ দুদিনীয়া কাৰ্যসূচীৰে সংযুক্ত আৰৱ আমিয়েৰাটত এদিন পূৰ্বে উপস্থিত হৈছে নৰেন্দ্ৰ মোদী। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি সংযুক্ত আৰৱ আমিয়েৰাটৰ ৰাজধানী আবু ধাবিত প্ৰথমটো হিন্দু মন্দিৰ উদ্বোধন কৰে। বি.এ.পি.এছ. মন্দিৰটো ডুবাই-আবু ধাবি শ্বেখ জায়েদ ঘাইপথৰ দাঁতিত আল ৰাহাবাৰৰ আবু মুৰিখাত নিৰ্মাণ কৰা হৈছে। প্ৰধানমন্ত্ৰীয়ে বোছানৱাচী অক্ষৰ পুৰুষোত্তম স্বামীনাৰায়ণ সন্থাৰ (বিএপিএছ) হিন্দু মন্দিৰ উদ্বোধন কৰি মন্দিৰত দীৰ্ঘ সময় অতিবাহিত কৰি পূজা-অৰ্চ্চনা কৰে। মন্দিৰত মূৰ্তিৰ সঞ্চালন বুধবাৰে পুৰা আৰম্ভ হৈছিল। মন্দিৰ নিৰ্মাণত প্ৰায় ৭০০ কোটি টকা ব্যয় কৰা হৈছে। মন্দিৰ নিৰ্মাণত প্ৰায় ১৮ লাখ ইটা ব্যৱহাৰ কৰা হৈছে। মন্দিৰৰ মহিমা আৰু অধিক বৃদ্ধি কৰিবলৈ মাৰ্বল ব্যৱহাৰ কৰা হৈছে। এই মন্দিৰত সংযুক্ত আৰৱৰ সাতটা প্ৰান্তক প্ৰতিনিধিত্ব কৰবলৈ সাতটা শিখৰ ৰখা হৈছে। দেৱলত উট বোৰ খোদিত কৰাৰ লগতে ৰাষ্ট্ৰীয় চৰাই ঈগল খোদিত কৰা হৈছে। মন্দিৰত ৪০২টা স্তম্ভ আছে। ২৫ হাজাৰ শিলৰ টুকুৰা ব্যৱহাৰ কৰা হৈছে। মন্দিৰলৈ যোৱা পথটোৰ চাৰিওফালে ৯৬ টা ঘণ্টা আৰু গৌমুখ স্থাপন কৰা হৈছে। মন্দিৰত নেনো টাইলছ ব্যৱহাৰ কৰা হৈছে। টাইলছে গ্ৰীষ্মকালত ভক্তক আৰাম দিব। মন্দিৰত কোনো লোৰ সামগ্ৰী ব্যৱহাৰ কৰা হোৱা নাই। মন্দিৰৰ বাবে মুছলিম ৰজাই মাটি দান দিছে। মন্দিৰৰ মুখ্য স্থপতিবিদজন কেথলিক খ্ৰীষ্টান। প্ৰকল্প মেনেজাৰ শিখ। ফাউণ্ডেচন ডিজাইনাৰ বৌদ্ধ আৰু নিৰ্মাণ কোম্পানী এটা পাৰ্চী গোট আৰু গোটটোৰ পৰিচালক জৈন ধৰ্মৰ। মন্দিৰটোত ভগৱান ৰাম, ভগৱান শিৱ, ভগৱান জগন্নাথ, ভগৱান কৃষ্ণ, ভগৱান স্বামীনাৰায়ণ, তিৰুপতি বালাজী আৰু ভগৱান আয়াপ্পাৰ সাতটা শিখৰ আছে। মন্দিৰটোত ৰামায়ণ আৰু মহাভাৰতৰ লগতে মায়া, এজটেক, ইজিপ্তিয়ান, আৰবী, ইউৰোপীয়, চীনা আৰু আফ্ৰিকান সভ্যতাৰ কাহিনীৰ উপৰিও ভাৰতৰ ১৫টা ইতিহাস উপলদ্ধ কৰা হৈছে। মন্দিৰত 'শান্তিৰ গম্বুজ' আৰু 'সম্প্ৰীতিৰ গম্বুজ' নিৰ্মাণ কৰা হৈছে। মন্দিৰৰ মুঠ উচ্চতা ১০৮ ফুট। ভাৰতীয় পৌৰাণিক কাহিনীৰ সৈতে সম্পৰ্কীত হাতী, উট আৰু সিংহ আদিত তৈয়াৰ কৰা হৈছে। যাতে ভাৰতক প্ৰতিনিধিত্ব কৰে মন্দিৰটোৱে। নৰেন্দ্ৰ মোদী আজি দ্বিতীয় দোহালৈ যাত্ৰা কৰিব। মঙলবাৰে আবু ধাবিৰ জায়েদ ক্ৰীড়া ষ্টেডিয়ামত প্ৰবাসী ভাৰতীয়সকলৰ সৈতে 'আহলান মোডী' অনুষ্ঠানত ভাষণ প্ৰদান কৰিছিল মোদীয়ে। আৰৱত প্ৰথমটো হিন্দু মন্দিৰ উদ্বোধনৰ পাছত প্ৰধানমন্ত্ৰী মোদীয়ে ভাষণ দি কয় যে আজি সংযুক্ত আৰৱ আমিয়েৰাটৰ ভূমিয়ে মানৱ ইতিহাসত এক নতুন সোণালী অধ্যায় লিখিলে। আজি আবু ধাবিত বিশাল আৰু ঐশ্বৰিক মন্দিৰ উদ্বোধন কৰা হৈছে। এই মুহূৰ্তত বহু বছৰৰ কঠোৰ পৰিশ্ৰম ইতিহাস হ'ল. য'ত এটা পুৰণি সপোন জড়িত হৈ আছিল। ভগৱান স্বামী নাৰায়ণৰ আশীৰ্বাদ জড়িত আছে। আজি, প্ৰমুখ স্বামীজী য'তেই ঐশ্বৰিক পৃথিৱীত থাকিব, তেওঁৰ আত্মাই য'তেই নাথাকক কিয় সুখ অনুভৱ কৰিব। আজি বসন্ত পঞ্চমীৰ পবিত্ৰ উৎসৱ। দেৱী সৰস্বতীৰ উৎসৱ। মা সৰস্বতী মানে জ্ঞান আৰু জ্ঞানৰ দেৱী, মানুহৰ বুদ্ধিমত্তা আৰু চেতনা! আমাক জীৱনে সহযোগিতা, সম্প্ৰীতি, সমন্বয় আৰু সম্প্ৰীতিৰ আদৰ্শ ৰূপায়ণ কৰিবলৈ বুজাবুজি প্ৰদান কৰিছিল। মন্দিৰটো মানৱতাৰ বাবে এক উন্নত ভৱিষ্যতৰ বসন্তকো আদৰণি জনাইছে। মন্দিৰটো সমগ্ৰ বিশ্বৰ বাবে সাম্প্ৰদায়িক সম্প্ৰীতি আৰু গোলকীয় ঐক্যৰ প্ৰতীক হৈ পৰিব।

# মোদী চৰকাৰক সমালোচনা ভাৰত ৰত্ন এম. এছ স্বামীনাথনৰ কন্যাৰ

**নতুন দিল্লী, ১৪ ফেব্ৰুৱাৰীঃ** কৃষক, অপৰাধী নহয়। কৃষকসকলক অপৰাধী হিচাপে গণ্য কৰা হৈছে। এই মন্তব্য শেহতীয়াকৈ ভাৰত ৰত্ন প্ৰদান কৰা প্ৰয়াত কৃষি বিজ্ঞানী এম.এছ স্বামীনাথনৰ কন্যা মধুৰা স্বামীনাথনৰ। কেন্দ্ৰীয় চৰকাৰে ভাৰত ৰত্ন বঁটা ঘোষণা কৰা কৃষি বিজ্ঞানী এম.এছ স্বামীনাথনৰ কন্যা মধুৰা স্বামীনাথনে কেন্দ্ৰীয় চৰকাৰৰ কৃষকৰ প্ৰতি আক্ৰোশমূলক ব্যৱহাৰক তীব্ৰ সমালোচনা কৰে। পুছাৰ ভাৰতীয় কৃষি গৱেষণা প্ৰতিষ্ঠানে আয়োজন কৰা এক অনুষ্ঠানত ভাষণ দি মধুৰা স্বামীনাথনে বাতৰি কাকতৰ প্ৰকাশিত বাতৰিৰ প্ৰসংগ টানি আনে। মধুৰা স্বামীনাথনে কয় যে কৃষকসকলে প্ৰতিবাদ কৰাৰ বাবে হাৰিয়ানাত বেৰিকেড আৰু কাৰাগাৰও প্ৰস্তুত কৰা হৈছে। তেওঁলোক কৃষক, অপৰাধী নহয়। আমি আমাৰ অন্নদাতাৰ সৈতে কথা পাতিব লাগিব। আমি সমাধান বিচাৰিব লাগিব। আমি পৰিকল্পনা কৰা যিকোনো ভৱিষ্যত ৰণনীতিত, কৃষকসকলক আমাৰ সহযোগী হিচাপে ল'ব লাগিব। স্বামীনাথন সমিতিৰ প্ৰতিবেদন গ্ৰহণ কৰিবলৈ কৃষকসকলে প্ৰতিবাদ কৰি আহিছে। এইটো হৈছে কৃষকৰ মুখ্য দাবী। ২০০৪ চনৰ ডিচেম্বৰৰ পৰা ২০০৬ চনৰ ডিচেম্বৰৰ ভিতৰত স্বামীনাথনৰ কৃষকৰ ৰাষ্ট্ৰীয় আয়োগে দাখিল কৰা পাঁচটা প্ৰতিবেদনত উৎপাদন ব্যয় বা এমএছপি গণনা কৰিবলৈ তিনিটা কাৰক উলিওৱা হৈছিল। সেই মতেই দেশে কৃষি খণ্ডত সফল হৈছে। মধুৰা স্বামীনাথনে ভাৰতীয় পৰিসাংখ্যিক প্ৰতিষ্ঠানৰ অৰ্থনৈতিক বিশ্লেষণৰ মুৰব্বীৰ দায়িত্ব পালন কৰি আছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হিমন্তমুক্ত হ’ব কংগ্ৰেছ

প্ৰদেশ কংগ্ৰেছ এতিয়া হিমন্তমুক্ত হ’বলৈ গৈ আছে। সমগ্ৰ বিষয়টো এআইচিচিৰ সৈতে আলোচনা কৰা হ’ব৷ হাইকমাণ্ডৰ সিদ্ধান্ত অনুসৰিয়েই পৰৱৰ্তী সিদ্ধান্ত গ্ৰহণ কৰা হ’ব বুলিও সভাপতিগৰাকীয়ে কয়৷ ভূপেন বৰাই আৰু কয় যে অসমৰ ৰাইজ শুই থকা সিংহ, অসমৰ ৰাইজে সকলো চাই আছে। ৰাহুল গান্ধী অসমত থকাৰ সময়তে বিধায়ক কমলাক্ষই চৰকাৰৰ বিৰুদ্ধে যিখিনি কথা কৈছিল সেইখিনি কথা পূৰ্বে গম পোৱা নাছিল বুলি কয় ভূপেন বৰাই। ছিণ্ডিকেটৰ তথ্য ৰাহুল গান্ধীক দিছিল কমলাক্ষই৷ এই বিষয়ে ভূপেন বৰা জ্ঞাত নাছিল বুলি স্পষ্ট কৰে৷ বিধায়ক কমলাক্ষৰ সৈতে আজি পুৱা কথা পতা বুলি দাবী কৰি ভূপেন বৰাই কয় যে কমলাক্ষ হেঁচাৰ মাজত আছে। বহু বিধায়ক বিজেপিলৈ গৈছে, বিজেপিলৈ যোৱাত অভিযোগবোৰ কিয় নোহোৱা হৈ পৰে বুলিও বৰাই প্ৰশ্ন কৰে।

# কংগ্ৰেছত বিভীষণ! দাবী বিৰোধী দলপতিৰ

**ই-সংবাদ, ১৪ ফেব্ৰুৱাৰীঃ** দুই বিধায়ক বসন্ত দাস আৰু কমলাক্ষ দে’ পুৰকায়স্থই বিজেপি চৰকাৰক সমৰ্থনৰ ঘোষণাত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই৷ দেৱব্ৰত শইকীয়াই কয় যে বিজেপি চৰকাৰে কংগ্ৰেছৰ বিধায়কসকলক ইডি, চিবিআই আৰু আন কেন্দ্ৰীয় সংস্থাসমূহৰ লগাই হেঁচা প্ৰয়োগ কৰি দলৰ পৰা পদত্যাগ কৰিবলৈ বাধ্য কৰিবলৈ চেষ্টা কৰিছে। মুখ্যমন্ত্ৰীয়ে কংগ্ৰেছৰ বিধায়কসকলক দলৰ পৰা পদত্যাগ কৰিবলৈ বাধ্য কৰিবলৈ চেষ্টা কৰি আছে। দেৱব্ৰত শইকীয়াই কয় যে আমি জানো যে বিজেপিয়ে ইডি, চিবিআই আৰু আন সংস্থাৰ জৰিয়তে দলৰ প্ৰচাৰ কৰিবলৈ চেষ্টা কৰিছে।শেহতীয়াকৈ আমাৰ বিধায়ক কমলাক্ষ দে পুৰকায়স্থ ইডি, জিএছটি আৰু অন্যান্যৰ তদন্তৰ সন্মুখীন হৈছে। আমি সদায়ে কৈ আহিছো যে যদি আমাৰ কোনো লোক অভিযোগৰ সন্মুখীন হয়, তেন্তে দোষী সাব্যস্ত হ'লে তদন্ত কৰা উচিত, শাস্তি দিয়া উচিত। যদি তেওঁলোকে বিজেপিলৈ যায় তেন্তে তেওঁলোকৰ অপৰাধ ক্ষমা কৰা হয়৷ প্ৰথমে মিছা অভিযোগত জড়িত কৰি ইডি, চিবিআই, ভিজিলেন্সৰ দ্বাৰা তদন্ত কৰি হাৰাশাস্তি কৰা হয়। এয়া গণতান্ত্ৰিক ৰাষ্ট্ৰৰ বাবে গ্ৰহণযোগ্য নহয়৷ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই আৰু কয় যে দুয়োজনে সিদ্ধান্ত লোৱাৰ পূৰ্বে সমষ্টিৰ লোকসকলৰ সৈতে আলোচনাত মিলিত হ’ব লাগিছিল৷ তেওঁলোকক কংগ্ৰেছৰ প্ৰাৰ্থী হিচাপে ভোট দিছিল আৰু বিজেপিৰ বিৰোধিতা কৰি ভোট লাভ কৰিছিল। এতিয়া বিধানসভালৈ অহাৰ পাছত এনেদৰে আত্মসমৰ্পণ কৰাটো কেনেকৈ গ্ৰহণযোগ্য? তেওঁলোকে এই বিষয়ে চিন্তা কৰা উচিত। লগতে কংগ্ৰেছত বিভীষণ থকাৰ কথা উল্লেখ কৰি সেই বিভীষণক চিনাক্ত কৰিব লাগিব বুলিও কয় শইকীয়াই৷

# ৰাজস্থান হৈ ৰাজ্যসভালৈ ছোনীয়া গান্ধী

**নতুন দিল্লী, ১৪ ফেব্ৰুৱাৰীঃ** কংগ্ৰেছে ৰাজ্যসভাৰ বাবে দ্বিতীয়খন প্ৰাৰ্থী তালিকা আজি প্ৰকাশ কৰিছে৷ দ্বিতীয় তালিকাত কংগ্ৰেছ দলে কৰ্ণাটকত অজয় মাকেন, ড০ চৈয়দ নাছিৰ হুছেইন আৰু জি.চি চন্দ্ৰশেখৰক মনোনীত কৰে৷ মধ্য প্ৰদেশৰ অশোক সিং, তেলেংগানাত ৰেণুকা চৌধুৰী আৰু এম অনিল কুমাৰ যাদৱক মনোনীত কৰিছে। প্ৰথমখন তালিকাত ৰাজস্থানত ছোনীয়া গান্ধী, বিহাৰত ড০ অখিলেশ প্ৰসাদ সিং, হিমাচল প্ৰদেশত অভিশেষ মনী সিংভী আৰু মহাৰাষ্ট্ৰ চন্দ্ৰকান্ত হাণ্ডোৰক মনোনীত কৰিছে৷ ছোনীয়া গান্ধীয়ে ৰাজ্যসভালৈ যাবৰ বাবে ৰাজস্থানক নিৰ্বাচিত কৰাত দেশৰ ৰাজনীতিত খুব চৰ্চা লাভ কৰিছে৷ আজি পুৱাই জয়পুৰত উপস্থিত হৈ প্ৰাক্তন মুখ্যমন্ত্ৰী অশোক গেহলট, শচীন পাইলট, পুত্ৰ ৰাহুল গান্ধী, কন্যা প্ৰিয়ংকা গান্ধীৰ সৈতে ছোনীয়া গান্ধীয়ে মনোনয়ন দাখিল কৰে৷ ইয়াৰ লগে লগে কংগ্ৰেছৰ প্ৰাক্তন সভানেত্ৰী ছোনিয়া গান্ধীয়ে প্ৰথমবাৰ ৰাজ্যসভাত প্ৰৱেশ কৰিব৷ ছোনীয়া গান্ধীয়ে বিনা প্ৰতিদ্বন্দ্বিতাত আসনখনত জয়ী হয়৷ ৰায়বৰেলী সমষ্টিৰ সাংসদ ছোনীয়া গান্ধীয়ে লোকসভাত প্ৰতিদ্বন্দ্বিতা নকৰে৷ এইবাৰ কন্যা প্ৰিয়ংকাই ৰায়বৰেলী লোকসভা সমষ্টিত অৱতীৰ্ণ হোৱাৰ জল্পনা-কল্পনা চলিছে। ছোনীয়া গান্ধী পাঁচটা কাৰ্যকালৰ বাবে লোকসভাৰ সাংসদ আছিল৷ প্ৰথমবাৰৰ বাবে কংগ্ৰেছৰ সভাপতিৰ দায়িত্ব গ্ৰহণ কৰি ১৯৯৯ চনত নিৰ্বাচিত হৈছিল। উল্লেখ্য যে, ১৫ খন ৰাজ্যৰ মুঠ ৫৬ জন ৰাজ্যসভাৰ সদস্যই এপ্ৰিলত অৱসৰ ল'ব৷ যাৰ ফলত নিৰ্বাচন ২৭ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব। মনোনয়ন দাখিলৰ সময়সীমা হৈছে ১৫ ফেব্ৰুৱাৰী।

# কংগ্ৰেছক ডুবন্ত নাও আখ্যা আজমলৰ

**ই-সংবাদ, ১৪ ফেব্ৰুৱাৰীঃ** পুনৰ কংগ্ৰেছক তীব্ৰ আক্ৰমণ কৰিছে ইউডিএফ প্ৰধান বদৰুদ্দিন আজমলে৷ বাজেট অধিবেশন চলি থকাৰ মাজতে কংগ্ৰেছৰ দুই বিধায়ক বসন্ত দাস আৰু কমলাক্ষ দে’ পুৰকায়স্থই বিজেপি চৰকাৰক সমৰ্থনৰ ঘোষণা কৰাৰ পাছতে আজি কংগ্ৰেছক আক্ৰমণ কৰে বদৰুদ্দিন আজমলে৷ আজমলে কয় যে কংগ্ৰেছৰ নাও ডুবিছে, অনুভৱ কৰা নাই। কংগ্ৰেছ শূন্য আৰু কোনো এজেণ্ডা নাই বুলিও কয় আজমলে। এনআৰচিৰ প্ৰসংগ টানি আনি আজমলে মুছলমানসকলক কংগ্ৰেছে ভিক্ষাৰী কৰাৰ অভিযোগ উত্থাপন কৰি আগন্তুক বিধানসভাত কংগ্ৰেছৰ ৫ জন বিধায়ক থাকিব বুলিও কয়।

## মিত্ৰদল ইউপিপিএলৰ আশাত পৰিব নেকি চেঁচাপানী!

# কোকৰাঝাৰত বিজেপিৰ প্ৰথমটো নিৰ্বাচনী কাৰ্যালয় মুকলি

**ই-সংবাদ, কোকৰাঝাৰ, ১৪ ফেব্ৰুৱাৰীঃ** লোকসভা নিৰ্বাচন ঘোষিত হবলৈ এতিয়াও বহুদিন বাকী যদিও ১ নং কোকৰাঝাৰ লোকসভা সনষ্টিত বিজেপি দলে মিত্ৰদল ইউপিপিএলক চেৰ পেলাই আজি কোকৰাঝাৰ লোকসভা সমষ্টিৰ বাবে বিজেপিৰ প্ৰথমটো মুখ্য নিৰ্বাচনী কাৰ্যালয় মুকলি কৰে অসম চৰকাৰৰ মন্ত্ৰী ৰঞ্জিত দাসে। কোকৰাঝাৰ আৰু ধুবুৰী লোকসভা সমষ্টিৰ "ক্লাষ্টাৰ ইনচাৰ্জ" হিচাপে দায়িত্বত থকা মন্ত্ৰী ৰঞ্জিত দাসে কোকৰাঝাৰ জিলা বিজেপিৰ কাৰ্যলয়তে নিৰ্বাচনী কাৰ্যালয় মুকলি কৰি কোকৰাঝাৰ, চিৰাং আৰু বাকসা জিলা বিজেপিৰ বিষয়ববীয়া , বিজেপিৰ পাৰিষদ আদিৰ সতে এক বৈঠক সম্পন্ন কৰে। বৈঠকৰ অন্তত অনুষ্ঠিত হোৱা এক সংবাদমেলত কোকৰাঝাৰ আৰু ধুবুৰী লোকসভা সমষ্টিৰ "ক্লাষ্টাৰ ইনচাৰ্জ " হিচাপে দায়িত্বত থকা মন্ত্ৰী ৰঞ্জিত দাসে কয় যে বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী কেন্দ্ৰীয় নেৰ্তৃবৰ্গ আৰু ৰাষ্ট্ৰীয় সমিতিয়ে সিদ্ধান্ত ল'ব। কিন্তু আমি সিদ্ধান্তৰ বাবে বৈ থকা নাই। ৰাষ্ট্ৰীয় সমিতিয়ে যাকে প্ৰাৰ্থী হিচাপে ঘোষণা কৰিব সেইজনে আমাৰ প্ৰাৰ্থী আৰু প্ৰাৰ্থীগৰাকীক জিকাবলৈ আমি ৰণকৌশল তৈয়াৰ কৰিছো। আমাৰ প্ৰাৰ্থী বিপুল ভোটত জিকিব। বিজেপিৰ কাৰ্যকৰ্তাই মাইক্ৰ লেভেলত কাম কৰি আছে। আমি কিমান ভোট পাম সেয়াও কব পৰা যাব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীক তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰী পদত অধিষ্ঠিত কৰিবলৈ সকলোৱে বিজেপি আৰু বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীক ভোট দিব। বিটিআৰত শান্তি ঘূৰাই আনিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু বিটিচিৰ মুখ্য কাৰ্যবাহী বড়োৱে প্ৰগতিৰ হকে কাম কৰি আহিছে। ইয়াত এতিয়া দ্ৰুত উন্নয়ন সম্ভৱ হৈছে।এই সকলোবোৰ চাই ৰাইজে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীক তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰী পদত অধিষ্ঠিত কৰাৰ স্বাৰ্থত বিজেপি আৰু ইয়াৰ মিত্ৰজোঁটৰ প্ৰাৰ্থীক ভোট দিব। তদুপৰি অহা ১৮ ফেব্ৰুৱাৰী আৰু ২৫ ফেব্ৰুৱাৰীত বিজেপিৰ কাৰ্যকৰ্তাৰ এক সন্মিলন অনুষ্ঠিত কৰা হ'ব বুলিও সদৰি কৰিছে মন্ত্ৰী ৰঞ্জিত দাসে। আনহাতে সাংবাদিকৰ এক প্ৰশ্নত্তোৰত মন্ত্ৰী ৰঞ্জিত দাসে বড়ো- অবড়ো বুলি বিজেপিত কোনো শব্দ নাই , আমি সকলোৱে ভাৰতীয় বুলি মন্তব্য কৰিছে। সাংবাদিকৰ আন এক প্ৰশ্নোত্তোৰত বিপিএফৰ সতে বিজেপিৰ মিত্ৰতা সন্দৰ্ভত ৰাষ্ট্ৰীয় নেৰ্তৃত্বৰ পৰা কোনোধৰণৰ নিৰ্দেশনা অহা নাই বুলি সদৰি কৰিছে মন্ত্ৰী ৰঞ্জিত দাসে। ইপিনে বিজেপিৰ নিৰ্বাচনী কাৰ্যালয়ৰ মুকলিৰ পিছতে মন্ত্ৰী ৰঞ্জিত দাসে ইউপিপিএলৰ কাৰ্যালয়ত অনুষ্ঠিত হোৱা এক বৈঠকতো অংশগ্ৰহণ কৰে । ইয়াৰ পিছতে কোকৰাঝাৰ আৰ্বত ভৱনত বিভিন্ন বিভাগৰ বিষয়াৰ সতে পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰে মন্ত্ৰী ৰঞ্জিত দাসে। উল্লেখ্য যে আজিৰ কাৰ্যসূচীত কোকৰাঝাৰ জিলা বিজেপিৰ সভানেত্ৰী কবিতা বসুমতাৰী, বিটিচিৰ কাৰ্যবাহী সদস্য ৰেওৰেওৱা নাৰ্জীহাৰী, চিৰাং আৰু বাকসা জিলা বিজেপিৰ সভাপতি, সম্পাদক, বিজেপিৰ বিভিন্ন বিষয়ববীয়া আদিকে ধৰি বহুসংখ্যক নেতা-কৰ্মীয়ে অংশগ্ৰহণ কৰে। প্ৰণিধানযোগ্য যে আজি মন্ত্ৰী ৰঞ্জিত দাসক বিজেপিৰ কৰ্মীসকলে ফুল ছটিয়াই, কপালত তিলক পিন্ধাই আৰু আৰনাইৰে আদৰণি জনায়।

# ওদালগুৰিত দুৰ্বৃত্তই লুটিলে ১৫ লাখ

**ই-সংবাদ, ওদালগুৰি, ১৪ ফেব্ৰুৱাৰীঃ** ক্ৰমাৎ অসুৰক্ষিত জ'নলৈ পৰিণত হৈছে ওদালগুৰিৰ ভাৰতীয় ষ্টেট বেংকৰ ওদালগুৰি শাখাৰ চৌপাশ। বেংক শাখাটোৰ সন্মুখৰ পৰা পথৰ পৰা ইতিমধ্যে কেইৱাবাৰো গ্ৰাহকৰ ধন কৌশলেৰে লৈ উধাও হয় দুৰ্বৃত্ত। আজিও অনুৰূপ ঘটনা সংঘটিত হয় ষ্টেট বেংক শাখাটোৰ সন্মুখত। দিনৰ একমান বজাত ওদালগুৰিৰ ব্যৱসায়ী সোণেশ্বৰ ওৱাৰীৰ পৰা আজি দুৰ্বৃত্তই ১৫ লাখ টকা নগদ ধন লৈ যোৱাৰ অভিযোগ উত্থাপিত হৈছে। প্ৰাপ্ত খবৰ অনুসৰি ওৱাৰীয়ে আজি ওদালগুৰি এক্সিছ বেংক শাখাৰ পৰা নগদ ন লাখ লাখ টকা লৈ ওদালগুৰি ষ্টেট বেংক শাখালৈ আহে। তাৰ পাছত ব্যৱসায়ীগৰাকীয়ে ষ্টেট বেংক শাখাৰ পৰা পুনৰ ছয় লাখ টকা উলিয়াই মুঠ ১৫ লাখ টকা নিজৰ বাহনত ৰাখে। ইতিমধ্যে বাহনখনৰ চকা ফুটা প্ৰত্যক্ষ কৰাত মেৰামতি কৰিবলৈ লোৱা সময়তে দুৰ্বৃত্তই কৌশলেৰে বাহনৰ দুৱাৰ খুলি সমুদায় ১৫ লাখ টকা লৈ উধাও হয়। ব্যৱসায়ীগৰাকীয়ে জনোৱা মতে চকা মেৰামতিৰ সময়ত তেওঁ বাহনখনৰ বাহিৰত থকাৰ সময়তে উক্ত ঘটনাটো সংঘটিত হয়। সন্দেহ কৰা অনুসৰি দুৰ্বৃত্তৰ দলটোৱে উক্ত চকা ফুটোৱাৰ কৌশলটো ৰচনা কৰিছিল। ঘটনা সন্দৰ্ভত ব্যৱসায়ীগৰাকীয়ে আৰক্ষীক অৱগত কৰাৰ পাছত আৰক্ষীয়ে প্ৰাথমিক তদন্ত আৰম্ভ কৰিছে। বাতৰি লিখা পৰলৈ দুৰ্বৃত্ত সন্দৰ্ভত কোনো তথ্য লাভ কৰা নাই আৰক্ষীয়ে। উল্লেখ্য যে ইয়াৰ পূৰ্বেও দুৰ্বৃত্তৰ দ্বাৰা উক্ত অঞ্চলটোত এনে ধৰণৰ ঘটনা সংঘটিত হৈছিল।

## গুৱাহাটীত সংবাদমেলত সুপ্ৰিয়া শ্ৰীনেতৰ বিশেষ মন্তব্য

# কাপুৰুষ আৰু ভয়াতুৰ লোকৰ কংগ্ৰেছত স্থান নাই!

**গুৱাহাটী, ১৪ ফেব্ৰুৱাৰীঃ** 'কংগ্ৰেছৰ সত্তৰ বছৰৰ হিচাপ সেইজন ব্যক্তিয়ে বিচাৰে যিজনে নিজে প্ৰচলন কৰা ২০০০ টকীয়া নোটখনেই ৭ বছৰো চলাই ৰাখিব নোৱাৰিলে। ইয়াতকৈ হাস্যকৰ কথা এই দেশত আৰু কি হ'ব পাৰে?'- গুৱাহাটীৰ ৰাজীৱ ভৱনত অনুষ্ঠিত এক সংবাদমেলত আজি এইদৰে মোদী চৰকাৰক কটাক্ষ কৰে কংগ্ৰেছৰ ৰাষ্ট্ৰীয় মুখপাত্ৰ তথা ছ'চিয়েল মিডিয়া বিভাগৰ ৰাষ্ট্ৰীয় অধ্যক্ষ সুপ্ৰিয়া শ্ৰীনেতে। আজিৰ সংবাদমেলত কংগ্ৰেছ নেত্ৰীগৰাকীয়ে মোদী চৰকাৰক দুষ্ট ছাত্ৰৰ সৈতেও তুলনা কৰে। তেওঁ কয়, 'পৰীক্ষা দি অহা ছাত্ৰক পৰীক্ষা কেনে হ'ল সেয়া জানিবলৈ প্ৰশ্নকাকতখন আনিবলৈ কোৱা হ'ল। কিন্তু পৰীক্ষাত ভালকৈ লিখিব নোৱৰা ছাত্ৰজনে নিজৰ প্ৰশ্নকাকতখন নেদেখুৱাই আগৰ বছৰৰ প্ৰশ্নকাকতখনহে দেখুৱালে।' কংগ্ৰেছৰ ৰাষ্ট্ৰীয় মুখপাত্ৰগৰাকীয়ে এই দুষ্ট ছাত্ৰজনৰ সৈতে মোদী চৰকাৰক ৰিজাই বিগত ১০ বছৰত দেশত অন্যায় কাল চলি আছে বুলিও মন্তব্য কৰে। সংবাদমেলত শ্ৰীনেতে ২০১৯ চনৰ আজিৰ দিনটোতে পুলৱামাত সন্ত্ৰাসবাদীৰ আক্ৰমণত শ্বহীদ হোৱা ৪০ গৰাকী চিআৰপিএফ জোৱানক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে এইবাৰ নিৰ্বাচনত শ্বহীদক লৈ ৰাজনীতি নকৰিবলৈকো প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী তথা বিজেপিক সকীয়াই দিয়ে। তেওঁ কয় যে নিৰ্বাচনৰ পূৰ্বে বিজেপি চৰকাৰে দেশবাসীৰ সমুখত নিজৰ ৰিপ'ৰ্ট কাৰ্ড প্ৰকাশ কৰিব লাগিছিল যদিও সেয়া নকৰি দুষ্ট ছাত্ৰজনৰ দৰে ১০ বছৰ আগৰ ইউপিএ চৰকাৰৰ কাম-কাজৰ কথাহে দেশবাসীক চিঞৰি চিঞৰি ক'বলৈ আৰম্ভ কৰাতো হাস্যকৰ কথা। ২০১৪ চনৰ পৰা ২০২৪ চনলৈ নিজে কি কাম কৰিছে সেইবোৰ আলোচনা কৰিবলৈ সাহস নথকা বিজেপিয়ে ইউপিএ চৰকাৰ কাম-কাজক লৈ মিছা কথাৰে ভৰি থকা শ্বেতপত্ৰ প্ৰকাশ কৰাতো দেশৰ বাবেই বিড়ম্বনা বুলিও কংগ্ৰেছ নেত্ৰীগৰাকীয়ে মন্তব্য কৰে। বিজেপিয়ে দলীয়ভাৱে ইউপিএ চৰকাৰৰ কাম-কাজৰ কথাক লৈ পুস্তিকা প্ৰকাশ কৰিলে সেয়া দেশৰ জনতাই ডাষ্টবিনলৈ নিক্ষেপ কৰিব বুলি জানিয়েই বিত্ত মন্ত্ৰণালয়ৰ আমোলা-বিষয়াসকলক ব্যৱহাৰ কৰি বিত্ত মন্ত্ৰণালয়ৰ তৰফৰ পৰা শ্বেতপত্ৰ প্ৰকাশ কৰিছে বুলিও অভিযোগ উত্থাপন কৰে কংগ্ৰেছ নেত্ৰীগৰাকীয়ে। সংবাদমেলত তেওঁ আৰু কয় যে ইউপিএ চৰকাৰে ১০ বছৰত কি কি কৰিছিল সেয়া দেশৰ জনতাই জানেই, গতিকে এতিয়া জনতাই বিজেপিয়ে আৰু মোদী চৰকাৰে যোৱা ১০ বছৰত কি কি কৰিলে সেই কথাহে আলোচনা কৰিবলৈ আগ্ৰহী। "এই ১০ বছৰত মোদী চৰকাৰে দেশৰ জনতাৰ সৈতে কেৱল অন্যায় আৰু অন্যায় কৰিছে। এই অন্যায়ৰ বিৰুদ্ধে দেশৰ জনতা সজাগ হোৱাৰ এয়াই সময়। বিজেপিৰ আভুৱা ভৰা কথাত এতিয়া আৰু সৰ্বসাধাৰণ ৰাইজে ভোল নাযায়।''- শ্ৰীনেতে কয়। মোদী চৰকাৰে কৰা অন্যায়ৰ কথা উল্লেখ কৰি তেওঁ আজিৰ সংবাদমেলত যোৱা ১০ বছৰৰ ৰিপ'ৰ্ট কাৰ্ড দাঙি ধৰে। তেওঁ কয় যে মোদী চৰকাৰৰ শাসন কালত ইচ্ছা অনুযায়ী তথ্যৰ হেৰ-ফেৰ ঘটোৱা সত্বেও দেশৰ সামগ্ৰিক জিডিপিৰ বৃদ্ধিৰ হাৰৰ ক্ষেত্ৰত ইউপিএ চৰকাৰক অতিক্ৰম কৰাত ব্যৰ্থ হৈছে। যোৱা ১০ বছৰত মধ্যবিত্ত আৰু দৰিদ্ৰ লোকসকলৰ ক্ৰয় ক্ষমতা হ্ৰাস পোৱাৰ লগতে কৃষি, নিৰ্মাণ আৰু সেৱা খণ্ডত সংস্থাপনো উদ্বেগজনকভাৱে হ্ৰাস পোৱাৰ সবিশেষ তথ্য সংবাদমেলত দাঙি ধৰে কংগ্ৰেছ নেত্ৰীগৰাকীয়ে। একেদৰে মোদীৰ ১০ বছৰীয়া শাসনকালত কিদৰে অতি ধনী লোকসকল আৰু অধিক ধনী হৈ পৰাৰ বিপৰীতে দৰিদ্ৰ লোকসকল আৰু দৰিদ্ৰ হৈ পৰিছে, নিবনুৱাৰ হাৰ বৃদ্ধি পাইছে, বিনিয়োগ হ্ৰাস হৈছে, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ ধ্বংসপ্ৰাপ্ত হৈ পৰিছে, ঋণৰ বোজা বৃদ্ধি পাইছে, শিক্ষাৰ বাজেট হ্ৰাস কৰা হৈছে আৰু এটাৰ পিছত এটাকৈ জুমলাৰে দেশবাসীক জুৰুলা কৰি তোলা হৈছে সেই বিষয়েও উল্লেখ কৰে শ্ৰীনেতে। চমক সৃষ্টি কৰি দেশ চলাব নোৱাৰি বুলিও আজিৰ সংবাদমেলত উল্লেখ কৰে শ্ৰীনেতে। তেওঁ কয় যে দেশৰ জনসাধাৰণে যাতে প্ৰকৃত সমস্যাসমূহৰ কথা গম পাব নোৱাৰে তাৰ বাবে মোদী চৰকাৰে চমক সৃষ্টি কৰি আহিছে। ২০১৪ৰ পূৰ্বে ইউপিএ চৰকাৰৰ দিনত মূল্যবৃদ্ধিক লৈ তাল-ফাল লগাই শাসনলৈ আহিলে মূল্যবৃদ্ধি ৰোধ কৰাৰ কথা কোৱা বিজেপি আৰু মোদীৰ দিনত এতিয়া ৪০০ টকীয়া ৰন্ধন গেছৰ চিলিণ্ডাৰৰ দাম কিয় ১২০০ টকীয়া হৈ পৰিছে বুলিও প্ৰশ্ন কৰে। আনহাতে ইউপিএ চৰকাৰৰ দিনত থকা কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীৰ সংখ্যা ৩৩.২৮ লাখৰ পৰা হ্ৰাস হৈ এতিয়া কিয় মাত্ৰ ৩১ লাখ হৈ পৰিছে বুলিও বিজেপি আৰু মোদী চৰকাৰক প্ৰশ্ন কৰে কংগ্ৰেছ নেত্ৰীগৰাকীয়ে। সংবাদমেলৰ শেষত কংগ্ৰেছ নেত্ৰীগৰাকীয়ে কয় যে ভাৰত জোড়ো ন্যায় যাত্ৰাৰ জৰিয়তে বিজেপি আৰু আৰএছএছৰ ঘৃণা বিয়পোৱা বিচাৰধাৰাৰ বিৰুদ্ধে কংগ্ৰেছে মহাসংগ্ৰাম আৰম্ভ কৰিছে। এই মহাসংগ্ৰামত যুঁজ দিবৰ বাবে সাহস থাকিব লাগিব বুলিও কয় শ্ৰীনেতে। বিজেপিৰ হাতৰ পুতলা সদৃশ হৈ পৰা ইডি, চিবিআই আদিলৈ ভয় কৰা কাপুৰুষ আৰু ভয়াতুৰ লোকৰ কংগ্ৰেছত স্থান নাই বুলিও মন্তব্য কৰি একপ্ৰকাৰ দলত্যাগ কৰা লোকসকলকো লক্ষ্য কৰি লয় কংগ্ৰেছৰ ৰাষ্ট্ৰীয় নেত্ৰীগৰাকীয়ে।

# এছিয়ান টিম বেডমিণ্টনৰ কোৱাৰ্টাৰত ভাৰত

**কুৱালালামপুৰ, ১৪ ফেব্ৰুৱাৰীঃ** এছিয়াৰন টিম বেডমিণ্টন চেম্পিয়নশ্বিপ ২০২৪ ৰ পুৰুষ মহিলা উভয় শাখাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে ভাৰতে। পুৰুষৰ শাখাত ভাৰতীয় দলে হংকঙক ৪-১ ত পৰাজিত কৰে। ইফালে মহিলাৰ শাখাত টিম ইণ্ডিয়াই ৩-২ ত পৰাস্ত কৰে শক্তিশালী চীনক।

পুৰুষৰ প্ৰথমখন ছিংগলছত এইচ এছ প্ৰনয় এন জি কা লং আংগুছৰ হাতত ১৮-২১, ১৪-২১ ব্যৱধানত পৰাজিত হয়। প্ৰথমখন ডব'লছত বিশ্বৰ এক নম্বৰ যুটি ছাত্বিকচাইৰাজ ৰংকাৰেড্ডী আৰু চিৰাগ চেট্টীয়ে লু চুং ৰাই আৰু য়েউঙ ছিং ছইৰ বিৰুদ্ধে ২১-১৬, ২১-১১ ত জয়লাভ কৰে। দ্বিতীয়খন ছিংগলছত লক্ষ্য সেনে পৰাস্ত কৰে চান ইন চিকৰ বিৰুদ্ধে ২১-১৪, ২১-১১ ছেটত জয়লাভ কৰে। দ্বিতীয়খন ডব'লছত এম আৰ অৰ্জন আৰু ধ্ৰুৱ কপিলৰ যুটিয়ে ছৌ হিন লং আৰু হুং কুই চুমক ২১-১২, ২১-৭ ত পৰাস্ত কৰে। ইয়াৰ পিছত কাদম্বি শ্ৰীকান্তে জেছন গুনৱানক ২১-১৪, ২১-১৮ ব্যৱধানত পৰাজিত কৰে। ইফালে মহিলাৰ শাখাত জয়ৰে অভিযান আৰম্ভ কৰে পি ভি সিন্ধুৱে। তেওঁ হান য়ুয়েৰ বিৰুদ্ধে ২১-১৭, ২১-১৫ ছেটত জয়লাভ কৰে। প্ৰথমখন ছিংগলছত তানিছা ক্ৰাষ্ট' আৰু অশ্বিনী পুনাপ্পা লুই ছেং চুই আৰু টান নিউৰ হাতত ২১-১৯, ২১-১৬ ত পৰাজিত হয়। দ্বিতীয়খন ছিংগলছত অসমৰ অস্মিতা চলিহা ৱাং ঝি য়িৰ বিৰুদ্ধে ২১-১৩, ২১-১৫ ত হাৰে। দ্বিতীয়খন ডব'লছত ত্ৰেছা জলী আৰু গায়ত্ৰী গোপীচান্দে লী য়ি জিং লৌ ঝু মিন যুটিক ১০-২১, ২১-১৮ আৰু ২১-১৭ ত পৰাজিত কৰে। শেষৰখন ছিংগলছত অনমোল খাৰ্বে উ লৌ য়ুক ২২-২০, ১৪-২১, আৰু ২১-১৮ ছেটত পৰাজিত কৰে।



ৰোমানিয়াৰ বুখাৰেষ্টত ভেলেণ্টাইন ডে উদযাপন এহাল প্ৰেমিক-প্ৰেমিকাৰ

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ডেৰমাহ ভিক্ষা মাগি পালে

বেচৰকাৰী সংস্থাটোৰ সভানেত্ৰী ৰূপালী জৈনে জানিবলৈ দিয়া মতে, ভিক্ষা মাগি থকা সময়তে মহিলাগৰাকীক ধৰা পেলোৱাৰ পিছত তেওঁৰ পৰা নগদ ১৯,২০০ টকা উদ্ধাৰ কৰা হয়। ভিক্ষাৰী মহিলাগৰাকীয়ে স্বীকাৰ কৰা মতে, যোৱা ৪৫ দিনত তেওঁ ভিক্ষা মাগি উপাৰ্জন কৰিছে ২.৫ লাখ টকা। ইয়াৰে তেওঁ এক লাখ টকা ৰাজস্থানত থকা শাহু-শহুৰলৈ প্ৰেৰণ কৰাৰ বিপৰীতে ৫০ হাজাৰ টকা বেংক একাউণ্টত আৰু ৫০ হাজাৰ টকা এফ ডিত জমা কৰে। ৰূপালী জৈনে দাবী কৰা মতে, ইন্দ্ৰা বাই নামৰ এই মহিলাগৰাকীৰ ৰাজস্থানত নিজা মাটি থকাৰ লগতে আছে এটা দুমহলীয়া অট্টালিকাও। ৫ সন্তানৰ মাতৃ মহিলাগৰাকীয়ে তেওঁৰ তিনি সন্তানকো ভিক্ষা বৃত্তিত নিয়োজিত কৰি ৰাখিছে। ইতিমধ্যে তেওঁৰ ৮ বছৰীয়া কন্যাগৰাকীক ভিক্ষা বৃত্তিৰ পৰা উদ্ধাৰ কৰি শিশু কল্যাণ সমিতিৰ তত্বাৱধানত ৰখা হৈছে। বেচৰকাৰী সংস্থাটোৰ সভানেত্ৰীগৰাকীয়ে জানিবলৈ দিয়া মতে, ইন্দোৰৰ ১৫০ জনীয়া ভিক্ষাৰীৰ গোটটোৰ সদস্য আছিল এই মহিলাগৰাকীও। উজ্জীয়নত মহাকাল লোক কৰিড'ৰ নিৰ্মাণৰ পিছতে উপাৰ্জন বৃদ্ধি পাইছে ভিক্ষাৰীসকলৰো। ইন্দোৰ-উজ্জীয়ন পথেৰে অহা-যোৱা কৰা দৰ্শনাৰ্থীৰ বাহন লৱ-কুশ ছেক্ৰনত ৰখাৰ সময়তে এই ভিক্ষাৰীসকলে ভিক্ষা মাগিবলৈ আৰম্ভ কৰে। ইফালে বঙাইগা আৰক্ষী থানাৰ উপ-পৰিদৰ্শক ঈশ্বৰচন্দ্ৰ ৰাথোৰে কয় যে অলপতে ইন্দ্ৰা বাইৰ নামত তেওঁৰ স্বামীয়ে এখন বাইকো ক্ৰয় কৰিছে। ভিক্ষা বৃত্তিৰ পিছত সেই বাইকতে উঠি ঘূৰি ফুৰে পতি-পত্নী। আনহাতে ভিক্ষাবৃত্তি কৰি হাতে-লোটে ধৰা পৰাৰ সময়ত আক্ৰমণাত্মক ৰূপ লয় মহিলাগৰাকীয়ে। এনজিঅ'ৰ এগৰাকী মহিলা কৰ্মীৰ সৈতেও তেওঁ বাকযুদ্ধত লিপ্ত হয়। আৰক্ষী বিষয়াগৰাকীয়ে কয় যে ৪০ বছৰীয়া মহিলাগৰাকীক ফৌজদাৰী বিধি আইনৰ ১৫১ ধাৰাত সতৰ্কতামূলক ব্যৱস্থা হিচাপে গ্ৰেপ্তাৰ কৰা হয়। ইয়াৰ পিছতে মহিলাগৰাকীক আদালতত হাজিৰ কৰোৱাত আদালতে ন্যায়িক জিম্মাত জেললৈ প্ৰেৰণ কৰে।

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান